**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৯০**

# মুখ্যমন্ত্ৰীয়ে ভ্ৰমণ কৰিলে ডি এন পি লিমিটেড

**দিছপুৰ, ১৪ মে' ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দুলিয়াজান-নুমলীগড় পাইপলাইন লিমিটেড (ডি এন পি এল)ৰ গেছ কমপ্ৰেছৰ ষ্টেচন পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত অপাৰেশ্যন আৰু বিপনন সম্পৰ্কীয় বিষয় সমূহ আলোচনা কৰে। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ত কেইবাগৰাকী বিধায়ক উপস্থিত আছিল।

আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে ডি এন পি এলৰ অধ্যক্ষ ৰূপম গোস্বামী আৰু অন্যান্য বিষয়াসকলৰক দেশৰ অন্যান্য বৃহৎ গেছ কোম্পানী সমূহৰ সৈতে ফেৰ মাৰিব পৰাকৈ বিপনন ব্যৱস্থা এটা গঢ়ি তোলাৰ আহ্বান জনোৱাৰ উপৰি ৰাজ্যখনৰ বজাৰ সম্পূৰ্ণকৈ অধিকাৰ কৰিব পৰাকৈ পদক্ষেপ গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

মুখ্যমন্ত্ৰীয়ে ডি এন পি এলৰ বিষয়াসকলক পৰম্পৰাগত ব্যৱসায় ব্যৱস্থাটোৰ সলনি প্ৰতিযোগিতামুখী বজাৰ ব্যৱস্থাৰ লগত ফেৰ মাৰিব পৰাকৈ বজাৰ ব্যৱস্থা এটা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু এই ক্ষেত্ৰত সফলতা আহৰণ বাবে প্ৰযুক্তিবিদ আৰু বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

আলোচনাৰ সময়ত ডি এন পি এলৰ বিষয়াবৰ্গ সকলে মুখ্যমন্ত্ৰীক আশ্বাস প্ৰদান কৰি কয় যে এটা নতুন বজাৰ ব্যৱস্থাক সামৰি ল'ব পৰাকৈ পদক্ষেপ গ্ৰহণ কৰিব আৰু উদ্ভাৱনীমূলক পথেৰে ব্যৱসায়ৰ সম্প্ৰসাৰণৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে অসম গেছ কোম্পানী লিমিটেডৰ বিষয়াসকল লগতো আলোচনাত মিলিত হয় আৰু ৰাজ্যখনত গেছ উৎপাদন বৃদ্ধিৰ বাবে বিভিন্ন ব্যৱস্থাৰাজীৰ সম্পৰ্কতো আলোচনা কৰে। গেছ ভিত্তিক উদ্যোগ খণ্ডৰ বিকাশৰ বাবে প্ৰয়োজনীয় গেছ যোগানৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যখনৰ বিভিন্ন গেছ ভিত্তিক উদ্যোগৰ বাবে প্ৰয়োজনীয় গেছ যোগান নিশ্চিত কৰাৰ বাবে অসম গেছ কোম্পানী লিমিটেডক আহ্বান জনায়। বিষয়াসকলে এই ক্ষেত্ৰত লোৱা বিভিন্ন ব্যৱস্থাৰাজীৰ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে।

স্বাঃডেঃ/ পুঃডেঃ/
১৪/৫/২০১৭